(Social Psychology) লগত, ঘনিষ্ঠভাবে জৰিত। ভাষাৰ এই জটিল দিশটোৰ প্ৰণালীবদ্ধ আলোচনা অতি অলপ দিনৰ পৰাহে আৰম্ভ হৈছে বুলিব পাৰি।

গঠন বা ৰূপৰ আলোচনা তিনিটা ভাগত বিভক্ত কৰা হয়: ধ্বনিগত (phonetic), শব্দগত (morphemic) আৰু বাক্যগত (syntactic) ভাবে। ধ্বনি, ধ্বনিৰ উৎপাদন, গুণ আৰু প্ৰয়োগবিধিৰ আলোচনাক **ধ্বনিতত্ত্ব** (Phonology) কোৱা হয়। ভাষাত প্ৰয়োগ হোৱা ধ্বনিসমষ্টি বা অৰ্থযুক্ত শব্দৰ সাধন (derivation) আৰু ৰূপৰ (inflection) আলোচনাক **ৰূপতত্ত্ব** (Morphology), আৰু শব্দৰ পৰা গঢ়ি উঠা পদৰ (inflected form) প্ৰয়োগবিধিক **বাক্যতত্ত্ব** (Syntax) বোলে।

ভাষাৰ এই সকলো দিশৰ য'ত বিজ্ঞানসন্মত সূক্ষ্ম আলোচনা কৰা হয় তাক **সামান্য ভাষা-বিজ্ঞান** (General Linguistics) বোলে। ভাষাৰ কোনো এটা মাথোন স্তৰ-বিশেষৰ পুঙ্খানুপুঙ্খ বিশ্লেষণক **বৰ্ণনাত্মক** (Descriptive) ভাষাবিজ্ঞান, আৰু বিভিন্ন স্তৰ-বিশেষৰ মাজেদি হোৱা ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ আলোচনাক **ঐতিহাসিক** (Historical) ভাষা বিজ্ঞান কোৱা হয়। একেটা স্তৰৰ বেলেগ বেলেগ ভাষাৰ গঠনপদ্ধতিৰ আলোচনাৰ নাম **তুলনামূলক** (Comparative) ভাষা-বিজ্ঞান। কোনো কোনো ভাষাতত্ত্ববিদে ঐতিহাসিক আৰু তুলনামূলক দুয়োটা আলোচনাকে একে নামেৰেও অভিহিত কৰে।

## ধ্বনি-বিজ্ঞান, বৰ্ণ-বিজ্ঞান আৰু ধ্বনিতত্ত্ব

৬॥ ভাষাৰ মূল ধ্বনি। ধ্বনিৰ উচ্চাৰণ, উচ্চাৰণ কৰোঁতে প্ৰয়োগ হোৱা বাগিন্দ্ৰিয়, উচ্চাৰণৰ বিভিন্ন কৌশল বা ধৰণ আৰু স্থান, ধ্বনিৰ লক্ষণ আৰু গুণ আৰু এইবোৰৰ প্ৰকৃতি বা স্বৰূপ আদিৰ বিজ্ঞানসন্মত সূক্ষ্ম আলোচনা কৰা হয় **ধ্বনি-বিজ্ঞানত** ( Phonetics )। বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত বিশিষ্ট গুণযুক্ত ধ্বনিবিষয়ক সমস্ত জ্ঞানৰ বিতং বিৱৰণ ধ্বনিবিজ্ঞানৰ বিষয় বস্তু।

৭॥ ধ্বনিৰ এইটো প্ৰাথমিক দিশ। ইয়াৰ উপৰিও বিশ্লেষণৰ দিশ এটা ইয়াৰ আছে। সাধাৰণভাবে উচ্চাৰিত হোৱা ধ্বনিসমূহ বেলেগ বেলেগ ভাষাত বেলেগ বেলেগ ধৰণে প্ৰয়োগ হয়। ভাষাভেদে ধ্বনিবোৰৰ আচৰণৰ বৈশিষ্ট্য দেখা যায়। এই বৈশিষ্ট্যবোৰ নিৰ্ভৰ কৰে ধ্বনিৰ প্ৰকৃতি আৰু প্ৰয়োগৰ ওপৰত। উদাহৰণ: এটা ভাষাত যিমানবোৰ ধ্বনিৰ উচ্চাৰণ হয় সেই সকলোবোৰৰ অস্তিত্ব বা বৈশিষ্ট্য সেই

ভাষাভাষী লোকে উপলব্ধি কৰিব নোৱাৰে। অসমীয়া ভাষাত 'ভাল' আৰু 'লাভ' শব্দ দুটাত চাৰিটা ধ্বনিৰ ব্যৱহাৰ হৈছে : ভ, ভ̲, ল আৰু আ। ভ (= bh) উচ্চাৰণ কৰোঁতে ওঁঠ দুটাৰ স্পৰ্শ হয়; গতিকে ই এটা স্পৰ্শধ্বনি। ভ̲ (= $\beta$) উচ্চাৰণ কৰোঁতে ওঁঠৰ স্পৰ্শ নহয়; দুয়োটা ওঁঠ ওচৰ চাপে, ফলত ঠেক বাটেৰে বায়ুৰ সোঁতটো বইনি থাই ওলাই আহিব লগা হয়। গতিকে উচ্চাৰণৰ ধৰণৰ ফালৰ পৰা ধ্বনি দুটা বেলেগ; ইইতৰ শ্ৰূয়মাণ গুণো বেলেগ। কিন্তু অসমীয়া মানুহে এই ধ্বনি দুটা সদায় উচ্চাৰণ কৰি -থাকে যদিও ইইতৰ পাৰ্থক্য বা বৈশিষ্ট্য ধৰিব নোৱাৰে। ভ উচ্চাৰিত হয় শব্দৰ আদিতে, যেনে, 'ভাল', 'ভুবন', 'ভিনিহি' আদি শব্দত;মাইবা শব্দৰ মাজত, যেনে 'আভাস', 'বিভূতি', 'সভা' আদি শব্দত; আৰু ভ̲ উচ্চাৰিত হয় কেৱল শব্দৰ শেহতহে। ভ̲ উচ্চাৰিত হোৱা শব্দ, যেনে লআভ̲ 'লাভ', লওভ̲ 'লোভ' সউলঅভ̲, 'সুলভ', ইত্যাদি। গতিকে ভ আৰু ভ̲-অৰ প্ৰয়োগৰ ক্ষেত্ৰত কোনো বিৰোধ দেখা নাযায়। সেইকাৰণে অসমীয়া মানুহে এই ভিন্ন ধ্বনি দুটাক একেটা বৰ্ণ[২] (Phoneme) বা ধ্বনিসমষ্টিৰ অন্তৰ্গত বুলি ধৰি লৈ ইইতৰ স্বকীয়া বৈশিষ্ট্যবোৰ পাহৰি পেলায়। সেয়েহে বৰ্ণমালাত (Phoneme Chart) ভ আৰু ভ̲ দুয়োটা ধ্বনি এটা মাথোন বৰ্ণৰে সূচিত হয়। এতিয়া মন কৰিব লগীয়া কথা হ'ল : অসমীয়া মানুহে এনেদৰে দুটা ভিন্ন ধ্বনিক স্বকীয়াকৈ মনত নাৰাখি একেটা মাথোন বৰ্ণৰ অন্তৰ্গত বুলি ভবাৰ মূলতে—ভাষাটোত ধ্বনি দুটাৰ প্ৰকৃতি গত লক্ষণ।

সেইদৰে, ফ (= ph) আৰু ফ̲ (= $\Phi$) ধ্বনি লগ হৈ অসমীয়া ফ বৰ্ণ হৈছে। ইংৰাজী ভাষাত সাতোটা স্বকীয়া ধ্বনি লগ হৈ t বৰ্ণৰ সৃষ্টি হৈছে।[৩] এনেদৰে

---

২ বৰ্ণ শব্দটো ইয়াত সাধাৰণ অৰ্থত ব্যৱহাৰ হোৱা নাই। বৰ্ণ বুলিলে সংস্কৃত ভাষাত আখৰ আৰু সেই আখৰে বুজোৱা ধ্বনি দুয়োটোকে সূচাইছিল : তাৰ কাৰণ, সংস্কৃতত ধ্বনি (sound) আৰু তাৰ প্ৰতীকৰ (symbol) মাজত সম্বন্ধ অটুট আছিল ; গতিকে যিটো আখৰ সেইটোৱেই ধ্বনিও (কেৱল ৰ, ৰ-ৰ দৰে দুটা এটা বৰ্ণৰ ক্ষেত্ৰত স্থানভেদে উচ্চাৰণৰ ভেদ হৈছিল মাথোন।) অসমীয়াত আখৰ আৰু তাৰ ধ্বনিৰ মাজত মিল নাই। সেইকাৰণে সংস্কৃত বৰ্ণ শব্দৰ ব্যৱহাৰত সতৰ্ক হোৱা প্ৰয়োজন। বৰ্তমান পুথিত বৰ্ণ শব্দৰে বিশিষ্ট ধ্বনি বা ধ্বনিসমষ্টিক (phoneme) বুজোৱা হৈছে। সংস্কৃততো বৰ্ণ শব্দই প্ৰকৃততে তাকেই বুজাইছিল। (চাওক : W. S. Allen : Phonetics in Ancient India. (1953) pp. 14-16). বৰ্ণৰ প্ৰতীক বুজাবলৈ এই পুথিত 'আখৰ' শব্দৰ প্ৰয়োগ হৈছে।

৩ Daniel Jones : An Outline of English Phonetics. 1956. §§ 511—521.